ভোবোলা চরিত্র।

শ্রীখঞ্জুরা গঁগের দ্বারা সংগৃহিত।

এজেন্সি কোম্পানী।

বিদ্যোর বা পার্বতীশঙ্কর যন্ত্রে,

শ্রীবজ্রেশ্বর চক্রবর্ত্তী দ্বারা ছাপা হ'ল।

বেচ /০ এক অনা মাথোন

VICTORIA JUBILEE LIBRARY
No. 267

ভোবোলা চৰিত্ৰ।

GOVERNMENT OF ASSAM
Call No ....
DISTRICT LIBRARY.

পদ।

শুনিয়োক প্ৰজালোক ভোবোলা চৰিত।
ভোবোলাৰ কথা আৰে আতি বিপৰীত॥
আত অনন্তৰে শুনিয়োক সভাসদ।
ভোবোলা ছাগলিৰ কথা এবে যে সংবাদ॥
এক গোটা ভোবোলা বনত আছে চৰি।
ভয় চিন্তা নাহি কিছু থাকে ৰঙ্গে ফুৰি॥
বনক আজুৰি খায় লপ্ লপ্ কৰি।
কোৱাৰীত থোপা থোপে জোকে আছে ধৰি॥
যেন পকা ভঁৰিয়া মানুহে গুৱা খায়।
পীক লাগি ডাঁৰি গোফ ৰঙ্গাহুৱা যায়॥
সেহিমতে ভোবোলাও তেজে ৰঙ্গা হুই।
জোকে খোৱা তেজ আছে টোপা টোপে বই॥
এহিমতে ভোবোলা বনত চৰি আছে।
এক গোটা বাঘে আহি দেখিলন্ত পাছে॥
ভোবোলাক দেখি পাছে মানিল বিস্ময়।
হেন অৰণ্যৰ মাজে নকৰে সংশয়॥
জানিলোহো মোত কৰি ইটো বলৱন্ত।
কেন মতে পাৰো আৰে মনত ভাবন্ত॥

DISTRICT LIBRARY
(HEM BARUA COLLECTION)

মই বনপতি ৰজা সবে মোৰ ভক্ষ ।
বন জন্তু মাৰি ভুঞ্জি আছো কত লক্ষ ॥
ইহাক মাৰিবে লাগি কৰিছো যতন ।
কি জানি ইহাৰ হাতে মোহোৰ মৰণ ॥
তাক দেখা দিলে জানো মিলয় বিকাৰ ।
তাক এৰি গৈলে মোৰ হৈবে অধিকাৰ ॥
এহি বুলি বাঘে মনে আছে গুণি গাঠি ।
পৰিচয় দিঙঁ ময় এশাৰেক মাতি ॥
চিনা চিনি হওঁবুলি মনক বুজায় ।
মাতিবে লাগিলে বাঘে ছাগলীক চায় ॥
লম লম দাঁৰি গোফ সঘনে বিলাশ ।
এনেজন পুৰুষে যে থাটে বনবাস ॥
বাঘ ঘোঙ্গ হাতী যে সিংহৰ ইটো থায় ।
অৰণ্যৰ মাজে কিয় আছাঁহে আতায় ॥
নাম গোত্ৰ কহি মোত দিয়া পৰিচয় ।
তোমাৰ সহিতে মিত্ৰ কৰিবো নিশ্চয় ॥
হেন বাক্য শুনি ভৈলা ভোবোলা বিস্ময় ।
আমি তাৰ ভক্ষ্য বুলি কহিবে লাগয় ॥
যি হৌক সি হৌক আগে নিজ বুদ্ধি ভাগে ।
বুদ্ধি সন্ধি কৰি মাথো সাৰিবাক লাগে ॥
পৰিচয় দিয়োতাক ময় কৰি বৰ ।
যাক শুনি তাহাৰ মনত লাগে দৰ ॥
শুনিয়োক বনৰাজ মোৰ নাম ধাম ।
কৈলাশ শিখৰে মোৰ থাকিবাৰ থান ॥

ভোলানাথ যিতো জন পাৰ্ব্বতীৰ পতি ।
মোৰ নাম ভোবোলা তাহাৰ মই সখী ॥
জগত জননী বুলি জানা মহামায়া ।
তাহাৰ বলত ইটো ধৰি আছো কায়া ॥
নিপাত কৰিলো মই হস্তী সিংহ মাৰি ।
বাঘ বিচাৰোতে মাথো বাঢ়ে গোফ দাঢ়ি ॥
পৰিচয় দিলো মোৰ নকৰা সংশয় ।
এহিসে প্ৰতিজ্ঞা মোৰ মনত আছয় ॥
যেতিক্ষণে মই আজি বাঘ লাগ পাম ।
তাহাক ধৰিয়া মই আগে মাংস খাম ॥
হেন কথা শুনি বাঘে ভোবোলা মুখৰ ।
দুই চকু মুদি পাছে দিলেক লৰৰ ॥
মনত ভাবিয়া যায় জানো লাগ পায় ।
প্ৰাণ পৰিশ্ৰমে লৰে পাচক নাচায় ॥
হাঁই ফাই কৰি সিটো কতো দুৰ যায় ।
শুধিলে শৃগাল গোটে বাটে লগ পায় ॥
কি ভৈল তোমাৰ খুড়া দেখো শুকান মুখ ।
কাত ভয়ে হোৱাঁ তুমি হেনয় বিমুখ ॥
ভৈলোহো সহায় মই নকৰিবা ভয় ।
কোন বীৰ আছে মোক দেখাই দিয়াগৈ ॥
নকৰিবা ভয় তুমি মই বিদ্যমানে ।
দেখাই দিয়া মাত্ৰে তাৰ বধিবোহো প্ৰাণে ॥
সেহি বাক্য শুনি বাঘে মাতিলে দুনাই ।
তেনে বীৰ গোট মই কতো দেখা নাই ॥

তেলেকা দুগোত চকু-জলে তৰঙ্গনী।
লপ্ লপ্ কৰি থায় খৰোত্তৰ বাণী॥
কোনজন বীৰ ছাপিবেক তাৰ কাছে।
বিলাহ কৰিয়া ডাঁৰি ৰঙ্গা হয়া আছে॥
যদি কোনো জন গৈয়া ছাপে তাৰ গুৰি।
দেখা পোৱা মাত্রে তাৰ ধাতু যাবে উড়ি॥
শিয়ালে বোলন্ত খুড়া নকৰোহো ভয়।
তেনে কতজন বীৰ ভুঞ্জিয়াছো ময়॥
তুমি মাত্র গৈয়া মোক দিয়া দেখুৱাই।
তোমাৰ দুখত ময় পেলাইবোহো খায়॥
বাঘে বোলে হেন কথা নকহিবা তাত।
হাতী সিংহ মাৰি হেনো কৰিলে নিপাত॥
বনে বনে ফুৰে হেনো বাঘক বিচাৰি।
বাঘ নপাইয়া ভৈলৈ তোবোকাৰ ডাঁৰি॥
হেনজানি ভাগি থাই যাইবা কেন কৰি।
দেখিলে মাত্রেকে সিটো খাব আহি ধৰি॥
শিয়ালে বোলয় খুড়া নকৰিবা ভয়।
নোৱাৰে খাইবাক খাথি আনিবোহো ময়॥
বাঘে বোলে বোপা ময় নোৱাৰোহো যাব।
দেখিলে মাত্রকে সিটো মোক ধৰি খাব॥
বাঘ বিছাৰিয়া সিটো ফুৰে বনে বনে।
তাৰ আগে পৰিলে ৰাখিবে কোন জনে॥
বুদ্ধি বুদ্ধা কৰি তুমি তাৰ আগে নিয়া।
বাগি দিয়া সাৰিবাহা মোক পেলায় ছিয়া॥

শিয়ালে বোলন্ত খুড়া নকৰা সংশয় ।
ভ্ৰয়োজন যাওঁ বয়া সাঙ্গোৰক লই ॥
আনিলন্ত লতা গাছ মাৰিয়া কামোৰ ।
গলত লগায় দুয়ো লৈলন্ত সাঙ্গোৰ ॥
তথাপি বাঘৰ মনে হায় ভয় কৰি ।
নকাঢ়য় খোজ নিয়ে শিয়ালে আজুৰি ॥
টনা টনি কৰি দুয়ো লাহে লাহে যায় ।
ৰহিলন্ত ভোবোলাৰ সমীপক পায় ॥
জন্তুৰ সহাৰি পায় মাথা তুলি ছালে ।
প্ৰাণ হন্তা আহি মোৰ ওচৰক পালে ॥
এহি বুলি ভোবোলা যে ভৈলেক বিবুদ্ধি ।
জানিলো দিলেক ইটো শিয়ালেহে বুদ্ধি ॥
খাইবাক মনে বুদ্ধি কৰি আছে মোক ।
তাৰ প্ৰতিকাৰ আজি দিবোঁ তঁহতক ॥
এহি ভাবি ভোবোলা যে লগাইলেক মাত ।
বাঘৰ হিয়াত যেন পৰে বজ্ৰপাত ॥
তই পাশৰিলি তাক শুনিয়ো শিয়াল ।
দুই গোটা বাঘ অনা হলে বৰ ভাল ॥
দুই গোটা নানি কিয় এগোটা আনিলি ।
নিশ্চয় জানিবি তই সমুলি মৰিলি ॥
এগোটা যে আনি দিলি আৰ গোটা আন ।
নানিলে অৱশ্যে আজি তোৰ লৈবো প্ৰাণ ॥
যেতিক্ষণে তেনে কথা বাঘে শুনিলেক ।
বিমুৰ্চ্চিত হুয়া সিটো জাপ মাৰিলেক ॥

শিয়ালৰ গলত লাগিলে চিপা টান।
মৰো মৰো বুলি সিটো ছাৰিলেক প্ৰাণ॥
বাঘে বোলে মৰ তয় দুৰ্জ্জন শিয়াল।
অকাৰণে মোক তয় কৰিলি খিয়াল॥
মাৰিবাৰ মনে মোক ছল কৰি দিলি।
মিত্ৰ দ্ৰোহ পাপ কৰি সমুলি মৰিলি॥
মৰিল শিয়াল গোট বাঘ গৈলা সাৰি।
ভোৰোলায়ো ছলি গৈল সিটো বন ছাৰি॥
দেখা সৰ্ব্ব জনে এবে চৌৰা কেনে কাম।
ভাবি চিন্তি ৰচিলোহো ভোৰোলাৰ নাম॥

দুলৰি।

শুনা সৰ্ব্বজন, থিৰ কৰি মন,
বাঘ ভৈলা লতি ঘতি।
ক্ষুধায়ে তৃষ্ণায়ে, হাৰা শাক্তি হই,
বিহ্বল ভৈলন্ত অতি॥
যাক যৈতে পায়, তাক ধৰি খায়,
চিন্তি ফুৰে দিনে ৰাতি।
গোহালি গোহালি, ফুৰে খাপ দি,
নাহিকে আনত মতি॥
আত অনন্তৰে, শুনা সৰ্ব্বনৰে,
যেন ভৈলা আতপৰ।
এক গ্ৰামে আছে, দুই বুঢ়া বুঢ়ী,
সিহঁতৰ ভগা ঘৰ॥

PLEASE HANDLE THE BOOK CAREFULLY

নায় কন্যা পুত্ৰ, বুঢ়া বুঢ়ী মাত্ৰ,
দুখিত বৰ সদায় ।
নায় লোটা বাটী, নায় খাবি পাটি,
মাগিয়া ফুৰন্ত খায় ॥
কৰোতা সহায়, খান কোনো নায়,
বুঢ়া বুঢ়ী অসন্তোষ ।
যদি কোনো ঠাই, মাগি দ্ৰব্য পায়,
তেতিয়া হোৱে সন্তোষ ॥
নাহি কোনো দ্ৰব্য, কেৱলে দৰিদ্ৰ,
সবেমাত্ৰ প্ৰাণী দুই ।
ঈশ্বৰক ভাবি, খায় খুজি মাগি,
নায় কোনো হায় হুই ॥

এহিমতে বুঢ়া বুঢ়ী প্ৰবৰ্ত্তিয়া আছে ।
আত অনন্তৰে শুনা যেন ভৈল পাছে ॥
দৰিদ্ৰ বুঢ়াক দেখি ধনী এক জন ।
ছয় গোটা ঘোড়া তাক কৰিলেক দান ॥
সাদৰিয়া সেহি ঘোড়া নিজ ঘৰে নিযা ।
বুঢ়া বুঢ়ী দুয়ো ৰঙ্গে ৰাখিল বান্ধিয়া ॥
ঘোড়াক দেখিয়া বাঘে আলচিয়া মনে ।
গোহালীৰ পাশে বাঘ আছে মনে মনে ॥
কেতিয়া যাইবেক বুঢ়া ঘোড়াক বান্ধিয়া ।
এহিমাত্ৰ কথা বাঘে আছন্ত ভাবিয়া ॥
ঘোড়া বান্ধি বুঢ়া বুঢ়ী আহি ৰঙ্গ মনে ।
কথা বাৰ্ত্তা হোৱে হৰ্ষ যুক্তে দুয়োজনে ॥

বুঢ়া বোলে আমাৰ আনত নাই ভয় ।
টুপটুপিয়া আসয় বুলি লাগয় সংশয় ॥
সেহি কথা শুনি বাঘে মানিলে বিস্ময় ।
কিনো অদভূত কথা শুনো আজি ময় ॥
সকলো জন্তুতকৰি বোলো ময় বৰা ।
মোতো কৈ জানিলো টুপটুপিয়াহে ডৰা ॥
মনত বিষাদ কৰি ভাবি চিন্তি আছে ।
চাৰি গোটা চোৰ আহি সোমালন্ত পাছে ॥
ঘোড়া চুৰি কৰিবাক কৰিয়া আলছ ।
ভাল মন্দ বাচি ফুৰে কৰি খচ মচ ॥
হাতক ফুৰায়া ঘোড়া পায় হাড় চাল ।
কেটেলা মেটেলা ঘোড়া নেপাৱয় ভাল ॥
ভাল ঘোড়া নেপাইয়া সি সব এৰিলা ।
অকস্মাৎ গৈয়া পাছে বাঘক পাইলা ॥
হাত ফুৰাইয়া সিটো পালে হৃষ্ট পুষ্ট ।
তাক পায়া চাৰি চোৰ ভৈলা মহা তুষ্ট ॥
চোৰৰ হাতত পৰি বাঘে বোলে ভাল ।
জানিলো পালেহি মোৰ অন্তিমৰ কাল ॥
টুপটুপিয়া বুলি বুঢ়ায় কইছিল ।
মোৰ দুৰ্দ্দশাৰে আজি আগত্তে মিলিল ॥
ভাগ্যক্ৰমে ভোবোলাত সাৰি যে আহিলো ।
উপায় নেদেখো এবে নিধালে মৰিলো ॥
হৰি হৰি কিনো মোৰ অভাগ্য কপাল ।
যৈকে যাও তৈতে মোৰ বাঢ়য় জঞ্জাল ॥

ৰক্ষাময় পাইবোহো আজি কোন মত ।
চিন্তান্বিত হুয়া বাঘে গুণয় মনত ॥
পৰিলোহো ময় আজি কালৰ হাতত ।
বিধি লেখিলেক এই দৰে কপালত ॥
এইদৰে বনপতি আছে খেদ কৰি ।
চাৰি চোৰে বান্ধি লৈলা জৰপুৰ কৰি ॥
ঘোড়াৰ ডিঙ্গিৰ ৰচি সোলোকায় আনি ।
বাঘৰ টেতুত লেজ বান্ধিলেক টানি ॥
তিনি জন চোৰ ভৈলা তাৰ কাষৰত ।
এক জন উঠিলেক পিঠিৰ ওপৰত ॥
বিচুৰ্ত্তি ভৈলেক বাঘ মৰণ সমান ।
এহেন বিপদে কোনে কৰিবেক ত্রান ॥
ঘোড়াক আনিছো বুলি চোৰে ৰঙ্গমনে ।
আলচ পিলচ কৰে ইজনে সিজনে ॥
ঘোড়াক বেচিয়া আমি বহুধন পাম ।
কানীক আনিয়া কিনি মহাসুখে খাম ॥
চাৰিয়ো চোৰৰ পাৰ নায় আনন্দৰ ।
আত অনন্তৰে ভৈলা ৰজনী পোহৰ ॥
ঘোড়া নহয় বাঘক দেখিলে যেবে চোৰে ।
কি আনিলো বুলিয়া সবাৰ চুৰ্ত্তি হবে ॥
আতুৰ হইয়া সবে দিলেক লৰৰ ।
প্রাণ লৈয়া লৰিলেক নাহিকে ভাগৰ ।
হুল জোঙ্গ খাল বাম একোকে নগণে ॥
পুনু আহি বাঘে ধৰে এই শঙ্কা মনে ॥

বাঘেও সাৰিলো বুলি মাৰিলে লৰৰ।
জানো আকৌ পায় বুলি কঁপে থৰ থৰ ॥
এহিমতে বাঘ গৈয়া পাইলা নিজ বন।
দেখিয়া আসিল বাঘ দুই জন ॥
শোধন্ত দুজনে তাক দেখিয়া আতুৰ।
কি হেতু হৈছাহে তুমি ই হেন কাতৰ ॥
কহিলন্ত ইটো বাঘে কৰিয়া বিনয়।
শুনিওক জাতি লোক মোহোৰ নিৰ্ণয় ॥
বৰ দুৰ্ভগীয়াময় মৰণ নহয়।
শঙ্কটতে শঙ্কট বাঢ়িয়েছে থাকয় ॥
দুই শঙ্কটৰ পৰা আহিছোহোঁ সাৰি।
থৰ থৰি হিয়া মোৰ জানো পায় ঘুৰি ॥
ভোবোলাৰ হাততে হেৰাইছিলে প্ৰাণ।
কোনোমতে তাৰ পৰা পালো পৰিত্ৰান ॥
পাছে টুপটুপিয়াই গলে বান্ধি জৰি।
নিথা নিথাতো লৈ গৈছিল টানি আজুৰি ॥
ইবাবো সাৰিছো ময় হাৰা সাস্তি দুই।
তোমাত শৰণ মাগো দিয়া মোক থায় ॥
তেবে যদি সাৰো ময় তোমাৰ সহায্যে।
পুনৰপি পাইলে মোৰ মিলিবে অকাৰ্য্যে ॥
শুনিয়া তাহাৰ কথা দুজনে বিস্ময়।
আমাক দেখায়া দিয়া কহিত আছয় ॥
কোন কালে তাৰ আমি নাম শুনা নায়।
কেনেবা লক্ষণ তাৰ দিয়াহে দেখায় ॥

এহি বুলি বাঘ কিছু গোটায় আনিল।
তাহাঙ্ক লগত লৈয়া ঘুৰিয়া আহিল॥
যেহি ঠানে চোৰ হুস্তে পাইলেক পাৰ।
দৈবক্ৰমে দেখিলেক বৃক্ষোপৰে চোৰ॥
নিলগৰ পৰা তাক দিলে দেখুৱাই।
তাক ধৰিবাক সবে কৰন্ত উপাই॥
চোৰক দেখিয়া কতোজনে বোলে খাওঁ।
কতোজনে বোলে আমি তাক চিনি পাওঁ।
কতোজনে বোলে এনে কত আছো খায়।
কতো বোলে খাওঁ তাক কৰিয়া উপায়॥
কতো বোলে কেনে কৰি তাক লাগ পাম।
কতো বোলে নামিলে তাহাৰ মাংস খাম॥
এই দৰে গণ্ডগোল সবে কৰি আছে।
তাক দেখি এক বুঢ়া মাতিলেক পাছে॥
শুনিয়োক ডেকা সব মোহোৰ বচন।
যদি তাক খাইবাৰ কৰিয়াছা মন॥
মোৰ বুদ্ধি লোৱা সবে ডেকা বাঘগণ।
বাঘ যোড়া দিবে লাগি কৰাহা যতন॥
শুনি ধৰি নিয়া বাঘে কঁপিছে ভয়ত।
বোলে জ্ঞাতিগণ ময় হৈবোহো তলত॥
পাতিল বাঘৰ যোড়া সিটো তল ভৈলা।
ওপৰা ওপৰি কৰি সবে উঠি গৈলা॥
এহি মতে যোড়া দিলা তিনি কুড়ি বাঘ।
আৰু চাৰি গোটা হলে তাক পায় লাগ॥

হেন কৰ্ম্ম দেখিয়া চোৰৰ ধাতু নায়।
কৈক যাবো কি কৰিবো নাপাস্ত উপায় ॥
উগুল থুগুল তাৰ মন নোহে শান্ত।
আজি প্ৰাণ যাবে বুলি মনত ভাবন্ত ॥
হেন মতে গুণি গাথি মন ঠিৰ কৰি।
ভাঙ্গিলেক এক গোটা ডালক আজুৰি ॥
ডালক হাতত লৈই কৰে আঁটি মটি।
বাঘক লাগিয়া মাৰিলন্ত ফৰমুঠি
আগে বান্ধ চাত খায় ভয় হুৱা আছে।
প্ৰাণৰে কাতৰে জাপ মাৰিলন্ত পাছে ॥
যেতিক্ষণে জাপ দিয়া বাহিৰে ওলাল।
গিৰ্ গিৰ্ শব্দে বাঘ সমস্তে খহিল ॥
কতো বাঘ পৰিলন্ত হাম খুৰি খায়।
কতো বাঘ মৰিলন্ত দান্ত নিকোতায় ॥
কতো কতো বাঘৰ ভাগিল হাত ভৰি।
চলিবে নোৱাৰি ফুৰে চুৰ্চৰি পাগৰি ॥
কতোজন বাঘৰ ভাগিল পৰি আঠু।
কতো যে বাঘৰ ওলাইলেক নাৰি পেটু ॥
দুৰ্জ্জন বাঘৰ সঙ্গে মিলিল দুৰ্গতি।
ভোবোলা চৰিত্ৰ এহিমানে সমাপতি ॥
কৰিলোহো ইটো পদ মন অনুমানে।
হেন জানি মোক নিনিন্দিবা কোনো জনে ॥
হেনজানি নৰলোক এৰি আন কাম।
পাতক ছাৰোক ডাকি বোলা ৰাম ৰাম ॥

অন্ত।

DISTRICT LIBRARY
(HEM BARUA COLLECTIO

জাননী

ধ্ৰুৱ চৰিত্ৰ	৵০
বভ্ৰুবা চৰিত্ৰ	৶০
বৈষ্ণৱামৃত	।০
ভক্ত চৰিত	৵০
[illegible] চৰিত	৶০
[illegible] পৰ্ব্ব	।৵০
[illegible]মালা	৵০
[illegible]	৵০
[illegible] প্ৰেমাৰ্ণৱ	১॥০
[illegible]	১৲
[illegible] পৰ্ব্ব	।০
[illegible]	॥০
পক্ষী চৰিত	।৵০
[illegible]	।৵০
বড় কৰতি	।৵০
বলী চলন	॥০
অনাদি পাতন	॥০
ৰুক্মিণী হৰণ	।৴০

শ্ৰীনন্দেশ্বৰ চক্ৰবৰ্ত্তী
পোঃ আঃ বিহাবাৰি আসাম